# WORKSHOP ON
# INTELLECTUAL PROPERTY RIGHT
# &
# LEGAL AWARENESS PROGRAM
# HELD AT SARAIGHAT COLLEGE ON
# 15TH NOVEMBER, 2022

## শৰাইঘাট মহাবিদ্যালয়ত কৰ্মশালা

'আমাৰ অসম'ৰ মহানগৰৰ বিশেষ প্ৰতিবেদক, ১৮ নৱেম্বৰ ঃ শৰাইঘাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত তথা ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ সহযোগত শৰাইঘাট মহাবিদ্যালয়ত ১৫ নৱেম্বৰত এদিনীয়া কৰ্মশালা এখন অনুষ্ঠিত হৈ যায়। আৰম্ভণিতে অধ্যক্ষ ড° মণি শৰ্মাই সকলোকে আদৰণি জনায়। তাৰ পাছত প্ৰথম সত্ৰত ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ আইন সজাগতা সম্পৰ্কে ভাষণ ৰাখে চৰকাৰৰ অৱসৰপ্ৰাপ্ত এডভোকেট জেনেৰেল অধ্যাপক ৰমেশ চন্দ্ৰ বৰপাত্ৰগোহাঁয়ে। বিশ্ববিদ্যালয়খনৰ দুই ছাত্ৰ-ছাত্ৰীয়ে পৰিচালনা কৰা অনুষ্ঠানটোত চাৰিজন শিক্ষাৰ্থীয়ে আইনৰ বিভিন্ন দিশ আৰু সুবিধাৰ কথা উপস্থাপন কৰে। দ্বিতীয় সত্ৰটো পৰিচালনা কৰে মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ফৰিদা ছুলতানা হকে। এই সত্ৰৰ সমল ব্যক্তি আছিল ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ভি কে আহোজাই। তেওঁ এই সত্ৰত বৌদ্ধিক সম্পত্তি অধিকাৰ চমুকৈ আইপিআৰৰ সন্দৰ্ভত তথ্যসম্বলিত ভাষণ দিয়ে। আলোচনা-চক্ৰখন অনুষ্ঠিত কৰাত বিশেষ আগভাগ লোৱা বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ইন্দ্ৰনশীৰ লগতে সমন্বয়ক হিমাংশু ৰঞ্জন নাথ তথা উপস্থিতসকলৰ শলাগ লয় নৱজ্যোতি পাটোৱাৰীয়ে। শেষত উপাচাৰ্যৰ আহ্বান ক্ৰমে অধ্যক্ষ মণি শৰ্মাই সংস্কৃত ভাষাত ভাষণ প্ৰদানেৰে আলোচনা চক্ৰৰ সামৰে।

## চাংসাৰিৰ শৰাইঘাট কলেজত আইন সজাগতা কৰ্মশালাত উপাচাৰ্য ড° ভিকে আহুজা




নিয়মীয়া বাৰ্তা, চাংসাৰি, ১৭ নৱেম্বৰ ঃ জালুকবাৰী সমষ্টিৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ উদ্যোগত আৰু নেচনেল ল ইউনিভাৰ্ছিটী এণ্ড জুডিচিয়েল একাডেমী, অসমৰ আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ সহযোগত ১৫ নৱেম্বৰত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে লিগেল এইডৰ বিষয়ে সজাগতা আৰু বৌদ্ধিক সম্পত্তি অধিকাৰ সম্বন্ধে এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ অৱসৰী অধ্যাপক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা ড° ৰমেশ চন্দ্ৰ বৰপাত্ৰগোহাঁই উপস্থিত থাকি লিগেল এইডৰ বিষয়ে মানুহৰ থাকিবলগীয়া সজাগতাৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। নেচনেল আইন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ পৰা কেইবাগৰাকীয়ে চাই বাৰ অপৰাধ, পৰিৱেশ আইন, গ্ৰাহক সজাগতা আদি বিষয়ত গৱেষণাধৰ্মী মন্তব্য আগবঢ়ায়। ইয়াৰ পিছতে বৌদ্ধিক সম্পত্তি অধিকাৰ (Intellectual property Right) সম্বন্ধেএক মত বিনিময়মূলক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নেচনেল আইন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ভি কে আহুজা উপস্থিত থাকি মূল বিষয়বস্তুৰ ওপৰত দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায়ত সুন্দৰভাৱে উপস্থাপন কৰি সকলোকে আকৃষ্ট কৰি তোলে। শৰাঘাট মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ফৰিদা চুলতানা হকে আঁত ধৰা উক্ত অনুষ্ঠানত নিকটৱৰ্তী কেইবাখনো মহাবিদ্যালয়ৰ পৰা অহা শিক্ষক প্ৰতিনিধিসকলে বিষয়বস্তুৰ ওপৰত মত বিনিময় কৰে। অধ্যক্ষ ড° মণি শৰ্মাই সভাৰ আৰম্ভণিতে সকলোকে আদৰণি জনায়। তদুপৰি অধ্যক্ষগৰাকীয়ে সংস্কৃত ভাষাত প্ৰদান কৰা শলাগৰ শৰায়ে উপস্থিত সকলোকে মোহিত কৰা পৰিলক্ষিত হয়। নেচনেল আইন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ইনদ্ৰনচী দাসৰ তৎপৰতাত অনুষ্ঠিত উক্ত অনুষ্ঠানৰ পৰা সকলোৱে যথেষ্ট পৰিমাণে উপকৃত হোৱা বুলি নিশ্চয়কৈ ক'ব পাৰি।

## শৰাইঘাট কলেজত আইন সজাগতা আৰু বৌদ্ধিক সম্পত্তিৰ অধিকাৰ সম্পৰ্কীয় কৰ্মশালা

আমাৰ খবৰ, চাংসাৰি, ১৭ নৱেম্বৰ ঃ জালুকবাৰী সমষ্টিৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান চাংসাৰিস্থ শৰাইঘাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ উদ্যোগত আৰু নেচনেল ল ইউনিভাৰছিটী এণ্ড জুদিচিয়েল একাডেমী, অসমৰ আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ সহযোগত ১৫ নৱেম্বৰত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে লিগেল এইডৰ বিষয়ে সজাগতা আৰু বৌদ্ধিক সম্পত্তি অধিকাৰ সম্বন্ধে এক কৰ্মশালা অনুষ্ঠিত হৈযায়। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ অৱসৰী অধ্যাপক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জেষ্ঠ অধিবক্তা ড° ৰমেশ চন্দ্ৰ বৰপাত্ৰগোহাঁই উপস্থিত থাকি লিগেল এইডৰ বিষয়ে মানুহৰ থাকিবলগীয়া সজাগতাৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। নেচনেল আইন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ পৰা কেইবাগৰাকীয়ে চাইবাৰ অপৰাধ, পৰিৱেশ আইন, গ্ৰাহক সজাগতা আদি বিষয়ত গৱেষণাধৰ্মী মন্তব্য ৰাখে। ইয়াৰ পাছতে বৌদ্ধিক সম্পত্তি অধিকাৰ(Intellectual property Right) সম্বন্ধে এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নেচনেল আইন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ভি. কে .আহুজা উপস্থিত থাকি মূল বিষয়বস্তুৰ ওপৰত দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায়ত সুন্দৰভাৱে উপস্থাপন কৰি সকলোকে আকৃষ্ট কৰি তোলে। শৰাঘাট মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ফৰিদা চুলতানা হকে আঁত ধৰা উক্ত অনুষ্ঠানত নিকটৱৰ্তী কেইবাখনো মহাবিদ্যালয়ৰ পৰা অহা শিক্ষক প্ৰতিনিধিসকলে বিষয়বস্তুৰ ওপৰত মতবিনিময় কৰে। অধ্যক্ষ ড° মণি শৰ্মাই সভাৰ আৰম্ভণীতে সকলোকে আদৰণী জনায়। তদুপৰি অধ্যক্ষগৰাকীয়ে সংস্কৃত ভাষাত প্ৰদান কৰা শলাগৰ শৰাইয়ে উপস্থিত সকলোকে মোহিত কৰা পৰিলক্ষিত হয়। নেচনেল আইন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ইন্দ্ৰনচী দাসৰ তৎপৰতাত অনুষ্ঠান অনুষ্ঠিত হয়।